# স্মৃতিৰ নৈখন

ডঃ ফৰিদা আহমেদ

পয়েট্ৰী উইডাউট ফিয়াৰ

*স্মৃতিৰ নৈখন*
ড° ফৰিদা আহমেদ
প্ৰথম সংস্কৰণ ২০২৫

*Smritir Noikhan*

*A collection of Assamese poems written by Dr. Farida Ahmed.*

© 2025 by Author and Poetry without Fear.

All rights reserved. Except for quote in magazines, newspapers, journals, and other review, no part of this book may be reproduced, for any reason, by any means, including any method of photographic reproduction, without the permission from the Publisher.

First Edition 2025.

Published by Poetry without Fear (PWF) in Assam, 2025.
Website: https://hollongbooks.com/
Email: poetrywithoutfear@gmail.com

Printed by Elloid Communication at Guwahati, Assam.

ISBN 978-81-984521-5-3

Price: ₹200.00

# সূচীপত্ৰ


| | |
|---|---|
| *লেখকৰ একাষাৰ* | .০৫ |
| ক্ৰন্দসী | ১ |
| তমসাৰ আদৰ | ২ |
| হাঁহি বাঁহী হৈ বাজে | ৪ |
| আইতাৰ সাধু | ৬ |
| জান-জুৰি | ৮ |
| সময় গতিশীল | ১০ |
| এক ৰজা আৰু এক ৰাণী | ১১ |
| জীৱন | ১২ |
| স্মৃতিৰ নৈখন | ১৪ |
| নয়ন-তৰা | ১৫ |
| বুলবুলি আৰু পণ্ডিত | ১৬ |
| জুৰি আৰু জোন | ১৭ |
| ধূসৰিত পৃথিৱী | ১৮ |
| সৰু সৰু সুখ | ২০ |
| আৱেগ | ২২ |
| পাহাৰ | ২৩ |
| অশান্ত প্ৰকৃতি | ২৪ |
| মা তুমি  ক'ত | ২৬ |
| উদাসী মন | ২৮ |

| | |
|---|---|
| ভগৱান আছেনে | ৩০ |
| তোমালৈ | ৩২ |
| জয়মতী কুঁৱৰী | ৩৪ |
| ঈশ্বৰৰ উদ্বেগ | ৩৬ |
| প্রেম অপৰিসীম | ৩৮ |
| পাহাৰবোৰ থাকিবনে | ৪০ |
| বৰ্ষাৰণ্য | ৪২ |
| প্রকৃতিৰ ভাষ্য | ৪৪ |
| আহিন আহিল | ৪৫ |
| জীৱনৰ চাকনৈয়া | ৪৬ |
| লিয়নার্ডো দা ভিঞ্চি | ৪৮ |
| সুখবোৰ আছেই চৌপাশে | ৫০ |
| নিঃসঙ্গ | ৫২ |
| মন গহনত এভুমুকি | ৫৪ |
| দুখ আৰু সুখ | ৫৬ |
| সম্পৰ্ক | ৫৭ |
| এটি কবিতা | ৫৮ |
| আই তই আসৈ মাতছিলি | ৬০ |
| ধৰ্ম | ৬২ |
| জীৱন অনুপম | ৬৪ |
| *ড° ফৰিদা আহমেদৰ কবিতা সম্পৰ্কে মতামত* | ৬৫ |

# লেখকৰ একাষাৰ

*উভতি যাবৰ মন* মোৰ প্ৰথম কবিতা-সংকলন। মনত ভয়-দ্বিধাৰে ২০২৩ চনত সংকলনখন পাঠক সমাজলৈ উলিয়াই দিছিলোঁ। বহুজনে ভাল লগা বুলি কৈ মোক উৎসাহিত কৰাৰ লগতে কবিতা লিখি থাকিবলৈ অনুপ্ৰাণিত কৰিলে। ইতিমধ্যে মই কেইবাটাও কবিতাৰ সংগঠনৰ সৈতে জড়িত হৈ পৰিলোঁ আৰু কবিতাৰ সমাজখনৰ সৈতে সাঙোৰ খাই পৰিব লগা হ'ল। সেইবোৰত হোৱা আলাপ-আলোচনাৰপৰা বহু কথা শিকাৰ সৌভাগ্যও হ'ল। লাহে-লাহে মনৰ ভাববোৰ কবিতাৰে প্ৰকাশ কৰিবৰ মন যোৱা হ'ল। বিভিন্ন পৰিৱেশত বা মনৰ দোদুল্যমান অৱস্থাত লিপিবদ্ধ কৰা সুখ, দুখ, ক্ষোভ, আনন্দৰ অনুভৱ-অনুভূতিবোৰ শব্দ চয়নেৰে গাঁঠি ৰখাৰ প্ৰয়াসেই এই কবিতাবোৰ। কিমান সফল হৈছোঁ নাজানো। কবিতা এটা সুশ্ৰাব্য কৰিবলৈ শব্দৰ জ্ঞান, নিৰ্বাচন আৰু তাৰ যথোচিত প্ৰয়োগৰ কৌশল জনাটো খুবেই প্ৰয়োজনীয়। সেইবোৰ আয়ত্ত কৰিবলৈ মোৰ এতিয়াও বাকী।

ইয়াৰে কেইটামান কবিতা বাতৰিকাকত আৰু আলোচনীত প্ৰকাশ পাইছে। এই কবিতাবোৰকে একেলগ কৰি দ্বিতীয় কবিতাৰ সংকলন এখন প্ৰকাশ কৰাৰ পৰামৰ্শ দিলে মোৰ ভাতৃসম শ্ৰীপ্ৰকল্প ৰঞ্জন ভাগৱতীয়ে, মাথোঁ পৰামৰ্শ দিয়াই নহয় উৎসাহ আৰু উদগনিৰে এই কামত আগবাঢ়িবলৈ সাহস যোগালে। কবিতাখিনি যথাযথভাৱে সজাই প্ৰকাশ কৰালৈকে সকলো দায়িত্ব লোৱা বাবে প্ৰকল্পক আন্তৰিক ধন্যবাদ জনালোঁ। মোৰ সহকৰ্মী অধ্যাপক, বিশিষ্ট সাহিত্যিক সমালোচক ড° আনন্দ বৰমুদৈক কথাটো জনোৱাত তেওঁ দিহা-পৰামৰ্শৰে উৎসাহিত কৰাৰ বাবে আন্তৰিক কৃতজ্ঞতা জনালোঁ! মোৰ সহকৰ্মী তথা অতি

আদৰৰ অধ্যাপক ড° কৰবী ডেকা হাজৰিকাই ব্যস্ততাৰ মাজতো এই সংকলনৰ বেটুপাতৰ বাবে কেইশাৰীমান লিখি দি মান্যতা দিয়াৰ বাবে আন্তৰিক শলাগ আৰু কৃতজ্ঞতা যাচিলোঁ।

মই ঘনিষ্ঠভাৱে জড়িত হৈ থকা  ডিব্ৰুগড় শাখা লেখিকা সমাৰোহ সমিতি, ডিব্ৰুগড় কবিসমাজ, কবিতা অধ্যয়ন গোট, ডিব্ৰুগড় শাখা মহিলা কবি মঞ্চ আৰু সন্ধ্যালাপৰ সদস্যবৃন্দৰ শুভেচ্ছাৰ বাবে আন্তৰিক শলাগ যাচিলোঁ। মোৰ পুত্ৰ ডাঃ ৰাজভি (ববী), বোৱাৰী পপী, স্বামী ড° অৰুণ দাসৰ পূৰ্ণ সহযোগৰ বাবেই এই কাম সম্পন্ন  কৰিব পাৰিলোঁ। নাতি ভিঞ্চিৰ দুষ্টালিভৰা সহযোগেও অনুপ্ৰাণিত কৰিছে। মোৰ ল'ৰা ৰিয়ান (জিনটু) মোৰ মনতেই আছিল।

পাঠকৰ সহৃদয়তা কামনা কৰিলোঁ।

ডিচেম্বৰ, ২০২৫ — ড° ফৰিদা আহমেদ

ডিব্ৰুগড়, অসম

## ক্ৰন্দসী

সুবিশাল বহল আকাশৰ
তলত অকলে
পিঠিত কোমল দুবৰিৰ
মিঠা আঁচোৰ
মনটোক মুকলি কৰি দিছোঁ
নিজৰ মতে ঘূৰি ফুৰিবলৈ
বন্দী মই সভ্য মানুহৰ পৃথিৱীত।

## তমসাৰ আদৰ

জোনাকে দিয়ে জোনৰ খবৰ
ৰ'দালিয়ে দেখুৱায় উমৰ আকৰ
আন্ধাৰে উজলায় ৰশ্মিৰ স্বৰূপ
নিশাৰ তমসাই পাতে
ভঙা-গঢ়াৰ খেল
অলেখ অবিচাৰ, নিপীড়ন
চলে কত গোপন অভিসাৰ!
নিশাতেই নিপাত হয় কত সপোন
অংকুৰিতও হয় নতুন জীৱন,
নিশাৰ শেষতে আহে দিৱস
আন্ধাৰ আঁতৰাই চৌদিশ উজলায়;
অমানিশাৰ অন্ধকাৰৰ পাছতে
ন জোনে মিচিকিয়াই দিয়েহি
আলোকৰ বতৰা
তিমিৰ আৰু দীপিতিৰ বাৰু
লুকাভাকু নে হলিগলি
দুয়ো আগবাঢ়ে একেলগে
আঁৰে-আঁৰে, দূৰে-দূৰে, কাযে-কাযে
দুই ভিন্ন বিন্দুত থাকিও যেন
নিচেই কাষৰ!

আন্ধাৰেই প্ৰস্ফুটিত কৰে পোহৰক
তামস বিহনে পোহৰৰ
নাই গুৰুত্ব, নাই আদৰ
তমসাৰ গৰিমা তাতেই।

# ড° ফৰিদা আহমেদৰ কবিতা সম্পৰ্কে মতামত

(১)

ফৰিদা আহমেদৰ কবি-মনটো বহু দিন লুকাই আছিল— শিলৰ মাজত লুকাই থকা জলধাৰাৰ দৰে। এদিন নিজৰাটো বৈ আহিল আৰু তেওঁৰ আৱেগে প্ৰকাশৰ পথ বিচাৰি পালে। কবিতা তেওঁৰ আত্মমুক্তিৰ আহিলা। অতীতলৈ ঘূৰি যোৱা এক গোপন পথ আৰু প্ৰকৃতিৰ জগতত বিচৰণৰ নিৰলা ক্ষণ। *স্মৃতিৰ নৈখন*ৰ মাজত তেওঁৰ কাব্য-কৌশলৰ উত্তৰণ ঘটিছে। কবিতাৰ মাজলৈ বিমূৰ্ত ধাৰণা এটি নামি অহা পৰিলক্ষিত হৈছে। সেয়েহে কবিতাই অধিক কাব্যগুণ লাভ কৰা বুলি মোৰ অনুভৱ হৈছে। ড° ফৰিদা আহমেদলৈ অভিনন্দন আৰু শুভকামনা থাকিল।

ড° কৰবী ডেকা হাজৰিকা

(২)

কবি ড° ফৰিদা আহমেদৰ কাব্য-ভাবনা ঘাইকৈ স্মৃতি, সত্তা আৰু ভৱিষ্যতৰ মাজলৈ বিস্তৃত হৈ থাকে। স্মৃতিৰ নৈখন বৰ্তমানৰ মাজেৰে ভৱিষ্যতলৈ প্ৰৱাহিত হৈ থাকে। এই প্ৰৱাহত মানৱীয় সম্পৰ্ক বিভিন্ন ৰূপত প্ৰতিভাত হয়। কবিৰ দৃষ্টিত ধৰা পৰা মানৱীয় সম্পৰ্ক কেতিয়াবা সংলাপ, উক্তি অথবা মানুহে মানুহৰ লগত কথা পতাৰ ভাষাৰ মাজেদি প্ৰকাশ পায়। কবিয়ে কবিতাৰ কাৰিকৰী দক্ষতাৰ দিশটোতকৈয়ো আৱেগ-অনুভূতিৰ নিষ্ঠাৰ দিশটোৰ প্ৰতি অধিক মনোযোগ দিয়ে। কোনো পৰিৱেশ-পৰিস্থিতিত যি আৱেগ-অনুভূতিয়ে কবিক উদ্বেলিত কৰে, তাকহে কবিয়ে শব্দ ৰূপ দিবলৈ বিচাৰে। তেওঁৰ শব্দবোৰ কেতিয়াবা হৈ পৰে চিন্তাৰ আনুভূতিক বিকল্প। সপোন-

দিঠক বা কল্পনা-বাস্তৱৰ জগত দুখনৰ মাজত কবিয়ে অনায়াসে অহা-যোৱা কৰিব পাৰে। কল্পনাৰ জগতখন তেওঁৰ বাবে প্ৰচ্ছন্ন, অনিৰ্ধাৰিত বা অস্পষ্ট নহয়। কেতিয়াবা প্ৰকৃতিৰ জগতখনেই কবিৰ বাবে এখন বিকল্প কল্পনাৰ জগত হৈ পৰে। কবিয়ে প্ৰকৃতিয়ে কবি-মনৰ ওপৰত পেলোৱা অভিঘাতক প্ৰকাশ কৰিবলৈ সময়ত এখন মায়াময় জগত সৃষ্টি কৰে। কবিগৰাকীয়ে কেতিয়াবা সমাজ-জীৱনৰ সূক্ষ্মতম চেতনা ধাৰণ কৰি কেতবোৰ গুৰুত্বপূৰ্ণ সামাজিক সমস্যাৰ প্ৰতি পাঠকৰ মনোযোগ আকৰ্ষণ কৰে। আৱেগ-অনুভূতিৰ শাব্দিক বিকল্পৰ সন্ধানত কবিয়ে কেতিয়াবা প্ৰকৃতি জগতৰ প্ৰপঞ্চ একোটাক মানৱীকৰণ কৰে। কবি ড° আহমেদৰ কাৰণে স্মৃতি আৰু কল্পনাৰ জগত বাস্তৱ জগতখনৰ সমানেই সত্য। সেইবাবে এখন আনখনৰ বিকল্প হ'ব পাৰে। কবিগৰাকীয়ে ২০২৩ চনত প্ৰকাশিত *উভতি যাবৰ মন* সংকলনৰ কবিতাৰে কবি হিচাপে আত্মপ্ৰকাশ কৰিছিল। *স্মৃতিৰ নৈখন* সংকলনৰ কবিতাৰে কবিয়ে নিজৰ স্থিতি সুদৃঢ় কৰিছে।

ড° আনন্দ বৰমুদৈ

(৩)

ড° ফৰিদা আহমেদৰ বহু কবিতাৰ কেন্দ্ৰীয় বিষয় হ'ল স্মৃতি। পৰিচয়ৰ অন্বেষণ, সময়ৰ প্ৰৱাহত জীৱনৰ প্ৰাপ্তি-অপ্ৰাপ্তিৰ খতিয়ান, আৰু কেতিয়াবা এক কাব্য-কৌশল হিচাপে তেওঁৰ কবিতাত স্মৃতি পুনৰাবৃত্তি হৈ থাকে। তেওঁৰ কবিতা নিৰ্মাণ-কৌশলৰ দিশৰপৰা সৰল, সেয়ে পাঠকৰ সৈতে সহজতে সংযোগ স্থাপন কৰে। *স্মৃতিৰ নৈখনৰ* বহু কবিতাই পাঠকক কাব্য পাঠৰ স্বকীয় আনন্দ দিব।

প্ৰকল্প ৰঞ্জন ভাগৱতী